# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 12-05-2025
**Time :** 1820 HRS

## *Assamese Evening Bulletin*
**- - - - - - - - - - - - - -**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি নিশা ৮ বজাত সিন্দুৰ অভিযান সম্পৰ্কত দেশবাসীক উদ্দ্যেশি ভাষণ দিব। জম্মু-কাশ্মীৰৰ পেহেলগামত এগৰাকী নেপালৰ নাগৰিক আৰু ২৫ জন ভাৰতীয়ক সন্ত্ৰাসবাদীয়ে বৰ্বৰভাৱে আক্ৰমণ চলায় হত্যা ঘটনাৰ প্ৰত্যুত্তৰ হিচাপে ভাৰতে অপাৰেচন সিন্দুৰ আৰম্ভ কৰিছিল। এই অভিযানত পাকিস্তানৰ কেইবাটাও সন্ত্ৰাসবাদীৰ ঘাটি ধ্বংস হোৱাৰ লগতে কমেও ১০০ জন সন্ত্ৰাসবাদীৰ মৃত্যু হোৱা বুলি সেনাবাহিনীয়ে প্ৰকাশ কৰিছিল। প্ৰধানমন্ত্ৰী মোডীয়ে আজি বিয়লি নতুন দিল্লীৰ চৰকাৰী বাসভৱনত এখন উচ্চ পৰ্য্যায়ৰ বৈঠকত অধ্যক্ষতা কৰে।  এই বৈঠকত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ্. জয়শংকৰ, ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত ডোভাল, চীফ ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহান, সুৰক্ষা বাহিনীৰ তিনিওটা শাখাৰ মুৰব্বী আৰু কেইবাগৰাকী শীৰ্ষ বিষয়া উপস্থিত থাকে।

ooooo

ভাৰতৰ যুঁজ পাকিস্তানৰ সামৰিক বাহিনীৰ বিৰুদ্ধে নহয় বৰং সন্ত্ৰাসবাদী আৰু তেওঁলোকে ব্যৱহাৰ কৰা আন্তঁগাথনি ধ্বংস কৰাৰ উদ্দেশ্যে আছিল বুলি দেশৰ বায়ুসেনাৰ সামৰিক অভিযানৰ সঞ্চালক প্ৰধান অৰ্থাৎ ডি জি এম ও এয়াৰ মাৰ্ছেল এ কে ভাৰ্তীয়ে প্ৰকাশ কৰিছে। আজি নতুন দিল্লীত স্থল সেনা আৰু নৌ সেনাৰ ডি জি এম ওৰ উপস্থিতিত বায়ুসেনাৰ ডি জি এম ও গৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে পাকিস্তানৰ সামৰিক বাহিনীয়ে সন্ত্ৰাসবাদী কাৰ্যকলাপৰ প্ৰতি সমৰ্থন আগবঢ়াই ভাৰতক আক্ৰমণ কৰাৰ ফলত সেনাবাহিনীয়ে প্ৰত্যুত্তৰ দিবলৈ বাধ্য হয়। অৱশ্যে এই অভিযান কালত যাতে সাধাৰণ লোক আৰু সামৰিক আন্তঃগাঁথনিৰ অধিক ক্ষতি নহয় সেই কথা সুৰক্ষা বাহিনীয়ে নিশ্চিত কৰিছে।ভাৰতৰ কেইবাতৰপীয়া আৰু সংহত বায়ুসেনা প্ৰতিৰক্ষা ব্যৱস্থাৰ বিষয়েও বিষয়া গৰাকীয়ে উল্লেখ কৰিছে। বায়ুসেনাই পাকিস্তানে প্ৰেৰণ কৰা কেইবাখনো ড্ৰোন আৰু মানৱবিহীন আকাশীযান ধ্বংস কৰিছে বুলি তেওঁ উল্লেখ কৰে। ভাৰতে থলুৱাভাৱে বিকশিত প্ৰযুক্তিৰে এই অভিযানৰ কেইবাটাও পদক্ষেপত সফলতা লাভ কৰিছে বুলি তেওঁ উল্লেখ কৰে। কেন্দ্ৰীয় চৰকাৰে বিগত এটা দশক ধৰি প্ৰতিৰক্ষা  ক্ষেত্ৰত আৰোপ কৰা গুৰুত্ব আৰু প্ৰতিৰক্ষা উৎপাদন বৃদ্ধি কৰি থলুৱা ভাৱে সামৰিক প্ৰযুক্তিক বিকশাই তোলাৰ বাবে এই সফলতা লাভ কৰা হৈছে বুলি তেওঁ মন্তব্য কৰে। ভাৰতে শক্তি পক্ষৰ ড্ৰোন, যুঁজাৰু বিমান আৰু ক্ষেপনাস্ত্ৰ ধ্বংস কৰাৰ ফলত দেশৰ সাম্ভাব্য ক্ষতি হ্ৰাস পাইছে বুলি তেওঁ প্ৰকাশ কৰে।

সংবাদমেলত স্থল সেনাৰ ডি জি এম ও ৰাজীৱ ঘাইয়ে কয় যে ভাৰতীয় সশস্ত্ৰবাহিনীৰ আগতীয়া প্ৰস্তুতিৰ বাবে পাকিস্তানৰ অপ্ৰৰোচিত আক্ৰমণ প্ৰতিহত কৰা সম্ভৱ হৈ উঠিল। যোৱা ৯ আৰু ১০ মে ৰ নিশা ভাৰতীয় বিমান ঘাটি আৰু পৰিবহন কেন্দ্ৰলৈ লক্ষ্য কৰি পাকিস্তানৰ বায়ুসেনাই কৰা আক্ৰমণ ভাৰতীয় সেনাবাহিনীৰ প্ৰতিৰক্ষা ব্যৱস্থাই ৰোধ কৰে আৰু দেশখনে ভাৰতৰ বায়ুসেনা প্ৰতিৰক্ষা ব্যৱস্থাক কোনো কাৰণতে আঘাট সনাৰ সুযোগ লাভ নকৰিলে। শ্ৰী ঘাইয়ে সীমান্ত সুৰক্ষা বাহিনীক অভিযান কালত আগবঢ়োৱা সহযোগিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

নৌ সেনা বাহিনীৰ ডি জি এম ও ভাইচ এডমিৰেল এ.এন. প্ৰমোদে সংবাদ মেলত কয় ভাৰতৰ সামুদ্ৰিক বাহিনীয়ে অহৰহ নিৰীক্ষণ আৰু চিনাক্তকৰণৰ দ্বাৰা সামুদ্ৰিক অঞ্চলৰ লগতে আকাশমাৰ্গতো চোকা দৃষ্টি ৰাখি শত্ৰু পক্ষৰ সকলো ভাবুকি প্ৰতিহত কৰিছে। নৌসেনাৰ যুদ্ধ বিমান পৰিবাহী মিগ-২৯ কে জাহাজ আৰু হেলিকপ্টাৰ সমুহৰ সহায়ত কেইবাশ কিলোমিটাৰ আঁতৰৰ পৰাই সন্দেহ জনক বিমানৰ গতি বিধি চিনাক্ত কৰিব পৰা যায়। চৰকাৰ, বিভিন্ন বিভাগ আৰু দেশৰ এশ চল্লিশ কোটি লোকৰ সহযোগিতাৰে এই সফলতা লাভ কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে।

ooooo

পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনাৰ দ্বিতীয় দিনাও আজি বিভিন্ন জিলাত বিজেপি আৰু ইয়াৰ সহযোগী দলসমূহে শক্তিশালী অগ্ৰগতি লাভ কৰিছে। আমাৰ সংবাদদাতাসকলে জনোৱা মতে ভোটগণনাৰ শেহতীয়া তথ্য অনুসৰি কেইবাখনো জিলাত ঘোষণা কৰা ফলাফল অনুযায়ী বিজেপিয়ে সংখ্যাগৰিষ্ঠতা লাভ কৰিছে।

যোৰহাট বিধানসভা সমষ্টিত ১৬ খন জিলা পৰিষদৰ আটাইকেইখনতে বিজেপি মিত্ৰজোঁটে জয়লাভ কৰিছে। সমষ্টিটোৰ ৮৬ খন আঞ্চলিক পঞ্চায়তৰ ৮৩ খনত বিজেপি প্ৰাৰ্থী বিজয়ী হৈছে।

ধেমাজি জিলাটো আটাইকেইখন জিলা পৰিষদ সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে জয়লাভ কৰাটো নিশ্চিত হৈছে।

শোণিতপুৰ জিলাত ৮৮ খন আঞ্চলিক পঞ্চায়তৰ ৭৮ খনত বিজেপিয়ে আৰু দুখনত অগপই জয়লাভ কৰিছে। কংগ্ৰেছে ৬ খন আসনহে দখল কৰিবলৈ সমৰ্থ হৈছে। জিলাখনৰ ২০ খন পৰিষদীয় আসনতে বিজেপিয়ে জয়লাভ কৰিছে।

**শিৱসাগৰ** জিলাৰ ৩টা বিধানসভা সমষ্টিৰ ১২ খন জিলা পৰিষদৰ ১১ খন আসনত বিজেপিয়ে জয়লাভ কৰিছে। খেলুৱা জিলা পৰিষদত মিত্ৰদল অসম গণ পৰিষদে বিজয় সাব্যস্ত কৰিছে। শিৱসাগৰ বিধানসভা সমষ্টিৰ ২৭ খন আঞ্চলিক পঞ্চায়তৰ ঘোষিত ফলাফলতো বিজেপি আগুৱাই আছে। দলটোৱে ২৩ খন আসনত জয়লাভ কৰাৰ বিপৰীতে অগপই ৩ খন আৰু কংগ্ৰেছে এখন আসনত জয়লাভ কৰিছে। নাজিৰা বিধানসভা সমষ্টিত বিজেপিয়ে ২৪ খন আঞ্চলিক পঞ্চায়তত জয়লাভ কৰিছে। সমষ্টিটোত অগপই এখন আৰু কংগ্ৰেছে দুখন আসনত জয়লাভ কৰিছে। শিৱসাগৰ জিলাৰ ডিমৌ বিধানসভা সমষ্টিত ২৮ খন আঞ্চলিক পঞ্চায়তৰ ঘোষিত ফলাফলত বিজেপিয়ে ২৬ খন আৰু ৰাইজৰ দলে এখন আসন লাভ কৰিছে।

চৰাইদেউ জিলাত ৮ খন জিলা পৰিষদৰ আটাইকেইখনতে বিজেপি জয়ী হৈছে। আঞ্চলিক পঞ্চায়তৰ ৩৬ খন আসনত বিজেপিয়ে ৩২ খন আৰু অগপই ৪ খন আসনত জয়লাভ কৰিছে। একেদৰে অন্যান্য জিলাসমূহতো পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা চলি আছে।

কামৰূপ মহানগৰ জিলাৰ ছখন জিলা পৰিষদৰ আটাইকেইখনতে বিজেপি মিত্ৰজোঁটে বিজয় বাস্যস্ত কৰিছে। হোজাই জিলাত ১২ খন জিলা পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত হোৱা ১১ খন আসনৰ ৭ খনত বিজেপিয়ে বিজয় সাব্যস্ত কৰিছে। আঞ্চলিক পঞ্চায়তসমূহৰ ভিতৰত বিজেপিয়ে ২৮ খনত জয়লাভ কৰাৰ বিপৰীতে কংগ্ৰেছে ৩৩ খনত জয়লাভ কৰিছে। গোৱালপাৰা জিলাৰ পঞ্চায়ত নিৰ্বাচনৰ ভোট গণনা এতিয়াও অব্যাহত আছে। ১৬ খন জিলা পৰিষদৰ ভিতৰত ১৪ খনত নিৰ্বাচন অনুষ্ঠিত হৈছিল। ফলাফলসমূহ আজি সন্ধিয়াৰ ভিতৰত ঘোষণা কৰা হ'ব।

ooooo

বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো আজি বুদ্ধ পূৰ্ণিমা উদযাপন কৰা হৈছে । গৌতম বুদ্ধৰ জন্ম তিথিৰ লগতে বুদ্ধগয়াত মহাবোধি বৃক্ষৰ তলত তেওঁ ৰ বৌদ্ধত্ব প্ৰাপ্তি আৰু পৰিনিৰ্বাণ লাভ কৰা দিন উপলক্ষে আজি বুদ্ধ পূৰ্ণিমা পালন কৰা হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গৌতম বুদ্ধৰ সমূহ অনুগামীলৈ বুদ্ধ পূৰ্ণিমাৰ শুভেচ্ছা জ্ঞাপন কৰিছে। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখৰেও দেশবাসীলৈ বুদ্ধ পূৰ্ণিমাৰ শুভেচ্ছা জনাই ভগৱান বুদ্ধৰ অহিংসা তথা দয়াৰ বাৰ্তা আজিৰ সময় তো সমাজ তথা মানৱতাৰ বাবে পূৰ্বতকৈ অধিক প্ৰাসংগিক বুলি মত প্ৰকাশ কৰে।

আজি গুৱাহাটী মহানগৰীৰ আদিংগিৰিত থকা মহাকৰনিক বৌদ্ধ বিহাৰ ন্যাসতো দিনজোৰা কাৰ্যসূচীৰে বুদ্ধ পুৰ্ণিমা পালন কৰা হয়। দেশ তথা ৰাজ্যৰ কুশল-মংগল কামনা কৰি বৌদ্ধ বিহাৰটোত ধৰ্মীয় ৰীতি-নীতি পালন কৰাৰ লগতে ধৰ্মধ্বজা উত্তোলন কৰা হয়। কামৰূপ জিলাৰ আমিনগাঁৱত থকা জয়গুৰু পাহাৰৰ বৌদ্ধ বিহাৰতো উলহ-মালহেৰে বুদ্ধ পুৰ্ণিমা পালন কৰা হয়। উজনি অসমৰ টাই গোষ্ঠীয় বৌদ্ধ ধৰ্মীয় লোকসকলৰ বসতিপ্ৰধান অঞ্চলসমূহতো গৌতম বুদ্ধৰ জন্ম, বৌদ্ধত্বপ্ৰাপ্তি আৰু পৰিনিৰ্বানৰ এই দিনটো মাংগলিক ৰীতি-নীতিৰে উদযাপন কৰা হয়।

ooooo

সমাপ্ত